# আপোনাৰ কম্পিউটাৰত কিদৰে অসমীয়া পঢ়িব

## *Windows XP – চাৰ্ভিচ পেক -২*

Windows XP ভালকৈ অসমীয়া বুজিব পৰাকৈ বিকশিত কৰা হোৱা নাই। আপুনি যদি নতুনকৈ অসমীয়া লিখা বা পঢ়াৰ চেষ্টা কৰিছে, তেন্তে আপোনাৰ Windows XP কম্পিউটাৰত অসমীয়া আখৰ বোৰ ভাঙি ভাঙি যাব পাৰে, বিশেষকৈ স্বৰচিহ্ন বোৰ। এই সমস্যা সমাধান কৰিবৰ বাবে আপুনি আপোনাৰ কম্পিউটাৰৰ লগত অলপ সময় ব্যয় কৰিব লাগিব। কেনেকৈ কৰিব লাগিব তলত উল্লেখ কৰা হৈছে।

১। আপুনি যদি ইণ্টাৰনেটত অসমীয়া চাব বিচাৰিছে তেন্তে আপোনাৰ ৱেব ব্ৰাউজাৰ ৰ একেবাৰে শেহতীয়া সংস্কৰণটো লৈ আপগ্ৰেড কৰক, যেনে মাইক্ৰ'সফট ইণ্টাৰনেট এক্সপ্ল’ৰাৰৰ ৮ম বা তাৰ পিছৰ, মজিলা ফায়াৰফক্সৰ ৫ম বা তাৰ পিছৰ, আৰু অপেৰা ৯ম বা তাৰ পিছৰ সংস্কৰণ ডাউনল’ড কৰক।

২। তাৰ পাছতে আপোনাক এটা ইউনিক’ড সমৰ্থিত ফণ্টৰ প্ৰয়োজন হব। সাধাৰণতে বৃন্দা (Vrinda) Windows ৰ লগত থাকেই, আৰু ইয়েই অসমীয়া আৰু বাংলাৰ বাবে Default ফণ্ট। ইয়াৰ ওপৰিও ইণ্টাৰনেট এনে কিছু ফণ্ট বিনামূলীয়াকৈ পোৱা যায়, আপুনি আপোনাৰ পচন্দৰ ফণ্ট ডাউনল’ড কৰি Windows ডিৰেক্টৰীৰ ভিতৰত থকা Fonts নামৰ ফল্ডাৰটোত Paste কৰি দিয়ক। (C:\WINDOWS\Fonts)

*বি. দ্ৰ. ঃ* ফণ্টৰ বিলাক বাংলা ইউনিক ’ড ফণ্ট বুলি লিখা থাকিলেও কথা নাই, প্ৰায়বিলাক বাংলা ফণ্টেই অসমীয়াও সমৰ্থন কৰিব পৰাকৈ বিকশিত কৰা হৈছে।কিছু সমস্যা নথকা নহয়, কিন্তু এই মূহূৰ্তত আপুনি সেই চিন্তা কৰিব নেলাগে।

৩। এতিয়া আপুনি আপোনাৰ কম্পিউটাৰটো Configure কৰিব লাগিব, তাৰ বাবে প্ৰথমতে আপোনাৰ Control Panel ত থকা “Regional and Language options”ত ক্লিক কৰক( যদি আপুনি Classic View ত আছে), নহলে “Date, Time, Language, and Regional Options” ( Category view) ত ক্লিক কৰক, তাৰ ভিতৰত পূণৰ “Regional and Language options” বুলি লিখা দেখা পাব। ( Category View ত থাকিলে এবাৰ বেছিকৈ ক্লিক কৰিব লাগে)। ইয়াত ক্লিক কৰাৰ লগে লগে আপুনি “Regional and Language options” বুলি এটা Dialogue box খোল খাব, তাত থকা Language নামৰ

Tab টোলৈ যাওক। ইয়াত আপুনি Supplemental Language support বোলা শিতানটোৰ তলতে দুটা Check box দেখা পাব। তাৰ "Install files for complex Script and right to left languages" বোলা Check Box টো নিৰ্বাচন কৰক। তাৰ পাছত OK বা Apply ক্লিক কৰি ওলাই আহক।
বি.দ্ৰ. ঃ এতিয়া আপোনাৰ কম্পিউটাৰে windows installation CD, গতিকে সেই চিডিখন সাজু ৰাখিব। কাম হোৱাৰ পাছত আপোনাৰ কম্পিউটাৰ Reboot হব।

৪। যদি আপুনি ইণ্টাৰনেট ব্ৰাউজাৰ বিলাকৰ শেহতীয়া সংস্কৰণ ব্যৱহাৰ কৰিছে তেন্তে আপুনি আপোনাৰ কম্পিউটাৰত এতিয়া সুন্দৰকৈ অসমীয়া দেখা পাব।

৫। আগতে কোৱা দৰে Windows ৰ বাবে অসমীয়া আৰু বাংলাৰ Default ফণ্ট হ'ল বৃন্দা, কিন্তু বহুলোকে এই ফণ্টতো ভাল নেদেখে, বিশেষকৈ XPত এই ফণ্টটো বৰ সৰুকৈ ওলায়। সেয়ে আপুনি হয়তো ব্ৰাউজাৰৰ বাবে ফন্টটো সলনি কৰাৰ ইচ্ছা কৰিব পাৰে।

Default ফণ্ট আৰু আখৰৰ আকাৰ সলনি কৰিবৰ বাবে ঃ-

<u>**মাইক্ৰচফটৰ ইণ্টাৰনেট এক্সপ্লৰাৰ ব্যৱহাৰ কাৰী সকলঃ**</u> "Tools" মেনুত থকা "Internet options" ত ক্লিক কৰক। নতুকৈ খোল খোৱা ৱিণ্ড খনত "general" বোলা tabটোৰ তলতে আপুনি "Fonts" বুটামটো দেখা পাব, তাত ক্লিক কৰক, " Fonts" নামৰ এটা নতুন dialogue" ওলাই আহিব। তাত " Language script " Bengali নিৰ্বাচন কৰিলে " Web page fontঃ" শিতানত আপোনাৰ কম্পিউটাৰত থকা ফণ্ট বিলাক দেখা পাব। আপোনাৰ প্ৰিয় ফণ্টটো নিৰ্বাচন কৰি ok বুটামত ক্লিক কৰক।

ফণ্টৰ আকাৰ ডাঙৰ কৰিবৰ বাবে 'view' মেনুৰ তলত থকা Text Size শিতানত large বা largest নিৰ্বাচন কৰক।

<u>**ফায়াৰফক্স ব্যৱহাৰকাৰী সকল ঃ**</u>Tools মেনুৰ তলত থকা Option ত ক্লিক কৰক, আৰু খোল খোৱা ৱিণ্ড খনৰ content টেবটোলৈ যাওক। তাত থকা Fonts and Colors শিতানৰ সোঁফালে থকা Advanced টেবতোট ক্লিক কৰক। তাত Fonts for শিতানত Bengali নিৰ্বাচন কৰক আৰু তলত থকা Proportional', 'Sherif', 'Sans-Sherif' আদি বিভিন্ন শাখাত আপোনাৰ প্ৰিয় ফণ্ট দি দিয়ক।

ফণ্টৰ আকাৰ কম বেছি কৰিবৰ বাবে আপুনি সোঁফালে থকা 'Size' বুলি লিখা ঠাইত মানসংখ্যা সলনি কৰিব লাগিব।

## Windows Vista আৰু Windows 7

এই দুই অপাৰেটিং চিষ্টেমত অসমীয়া সমৰ্থন আছেই, গতিকে একো কৰাৰ আৱশ্যক নাই। ব্ৰাউজাৰত অসমীয়া লিখিব বা পঢ়িবৰ বাবেও কোনো Configuration ৰ দৰকাৰ নাই। কিন্তু Default ফণ্ট বা ফণ্টৰ আকাৰ সলনি কৰিব খুজিলে ওপৰত Windows XP ৰ বাবে দিয়া পদ্ধতি ব্যৱহাৰ কৰিব পাৰে।

## সামৰণি

লিনাক্স, মেক- OS x, দৰে প্লেটফৰ্মসমূহ বা মবাইলৰ এন্দ্ৰইড, চিম্বিয়ান আদিতো সামান্য configuration ৰ মাজেৰে অসমীয়া লিখিব বা পঢ়িব পাৰি, অৱশ্যে সেইখিনি কথা এই প্ৰবন্ধত অন্তৰ্ভুক্ত কৰা হোৱা নাই। কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে **"ৰ'দালি"** ডাউনল'ড কৰি আপোনাৰ কম্পিউটাৰত সংস্থাপন কৰক। ৰ'দালিৰ লগত দিয়া নিৰ্দেশনাৰ সহায়ত আপুনি আপোনাৰ Windows কম্পিউটাৰত সহজে অসমীয়া লিখিব পাৰিব।